**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 17-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ শীৰ্ষ সন্মিলনৰ আপাহতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

২। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই সমাগত নীট পৰীক্ষাৰ পূৰ্বে পৰীক্ষাৰ্থীসকলক অনলাইন মঞ্চত বিয়পা জালিয়াতিসমূহৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনাইছে।

৩। কেন্দ্ৰীয় মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে আজি নিচামুক্ত ভাৰত অভিযানৰ অধীনত ভাৰ্চুৱেল ব্যৱস্থাৰে নিচামুক্ত ভাৰত সপ্তাহ মুকলি কৰিব। ***আৰু***

৪। ভাৰত আজি আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত নেডাৰলেণ্ডছৰ মুখামুখি হ'ব।

ooooo

ফ্ৰান্সত চলি থকা জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ শীৰ্ষ সন্মিলনৰ বাবে ইভিয়ান চহৰখন সম্প্ৰতি আন্তঃৰাষ্ট্ৰীয় কূটনীতিৰ কেন্দ্ৰবিন্দুৰূপে পৰিগণিত হৈছে। সন্মিলনত সহযোগী দেশৰূপে অংশগ্ৰহণ কৰা ভাৰতৰ হৈ আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। বিগত বৰ্ষৰ ফেব্ৰুৱাৰীত ৱাশ্বিংটন ডিচিত নেতা দুগৰাকী অন্তিমবাৰৰ বাবে মুখামুখিকৈ বৈঠকত মিলিত হৈছিল। আজিৰ বৈঠকত উভয় পক্ষই বিভিন্ন খণ্ডত দ্বিপাক্ষিক সহযোগিতা ত্বৰান্বিত কৰাৰ লগতে দুয়োখন দেশৰে স্বাৰ্থ জড়িত হৈ থকা আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহ লৈ মত বিনিময় কৰিব বুলি আশা কৰা হৈছে। বিভিন্ন জটিল আন্তঃৰাষ্ট্ৰীয় সমস্যাৰ সমাধানৰ বাবে আন্তঃৰাষ্ট্ৰীয় মহলে নতুন দিল্লীত দৃষ্টি নিবদ্ধ কৰা হেতু ভাৰতৰ ক্ৰমাগতভাৱে অন্যতম আন্তঃৰাষ্ট্ৰীয় শক্তিৰূপে উত্থান ঘটিছে আৰু এনে সময়তে হ'বলগীয়া শ্ৰীমোদী আৰু শ্ৰীট্ৰাম্পৰ এই বৈঠকখনে বিশেষ গুৰুত্ব বহন কৰিছে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি **সকলোৰে সুবিধাৰ বাবে সুষম, সৰ্বাত্মক আৰু বহনক্ষম অৰ্থনৈতিক বিকাশ পুনৰুজ্জীৱিত কৰা** বিষয়ত আয়োজিত সন্মিলনৰ এখন কৰ্মশালাতো অংশ ল'ব। ইয়াৰ লগতে শ্ৰীমোদীয়ে দুপৰীয়াৰ আহাৰৰ সৈতে আয়োজন কৰা **কৃত্ৰিম বুদ্ধিমত্তাৰ নিৰাপদ, দ্ৰুত আৰু ফলপ্ৰসূ নিয়োগ নিশ্চিত কৰা** বিষয়ক আন এটা আলোচনাতো ভাগ ল'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে সন্মিলনৰ আপাহতে আজি ইউৰোপীয় পৰিষদৰ অধ্যক্ষ এণ্ট'নিঅ' ক'ষ্টা আৰু ইউৰোপীয় আয়োগৰ অধ্যক্ষ ভন ডাৰ লিয়েনৰ সৈতে এখন ত্ৰিপাক্ষিক বৈঠকত ভাগ লোৱাৰ কথা আছে। শ্ৰীমোদীয়ে আজিৰ দিনটোতে জাৰ্মানীৰ চেন্সেলৰ ফ্ৰেড্ৰিক মাৰ্জৰ সৈতেও আলোচনাত মিলিত হ'ব।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীগৰাকীয়ে কালি কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নী, ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কিৰ ষ্টাৰমাৰ আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়েদ অল নাহয়ানৰ সৈতে পৃথক পৃথককৈ দ্বিপাক্ষিক বৈঠকত ভাগ লয়। তেওঁ কালি কেনিয়াৰ ৰাষ্ট্ৰপতি উইলিয়াম ৰুট', ইজিপ্তৰ ৰাষ্ট্ৰপতি

আব্দেল ফাতাহ্ এল-চিচি, জাপানৰ প্ৰধানমন্ত্ৰী ছানাই টাকাইচি আৰু দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি লি জে-ম্যুংকো সাক্ষাৎ কৰে।

০০০০০

ভাৰতকে ধৰি কেইবাখনো ৰাষ্ট্ৰৰ সৈতে বিশ্ব স্বাস্থ্য আৰু উন্নয়নৰ সহযোগিতা শক্তিশালী কৰাৰ লক্ষ্যৰে জি-৭ ৰাষ্ট্ৰগোষ্ঠীৰ দেশসমূহে একাধিক পদক্ষেপৰ কথা ঘোষণা কৰিছে। জি ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনত নেতাসকলে কংগো আৰু উগাণ্ডাত পুনৰ দেখা দিয়া ইব'লা প্ৰাদুৰ্ভাৱৰ প্ৰতি সমন্বিত আন্তঃৰাষ্ট্ৰীয় সঁহাৰিৰ আহ্বান জনায়। ভাৰত, ইজিপ্ত, কেনিয়া আৰু দক্ষিণ কোৰিয়াই সীমান্ত পৰ্যবেক্ষণ আৰু সম্প্ৰদায়ভিত্তিক সচেতনতাকে ধৰি অধিক শক্তিশালী ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰে। নেতাসকলে ইব'লা ভাইৰাছৰ প্ৰতিষেধক আৰু চিকিৎসা পদ্ধতিৰ বিকাশৰ ক্ষেত্ৰত সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতিও প্ৰদান কৰে।

ৰাষ্ট্ৰসমূহে কৰ্কট ৰোগৰ বিৰুদ্ধে বিশ্বব্যাপী চলি থকা যুঁজখন ত্বৰান্বিত কৰাৰ প্ৰতিশ্ৰুতিও প্ৰদান কৰে। ভাৰত আৰু ব্ৰাজিলকে ধৰি অংশীদাৰ দেশসমূহৰ সহযোগিতাত নেতাসকলে কৰ্কট ৰোগৰ গৱেষণা আৰু বিকাশমূলক প্ৰযুক্তিৰ দায়িত্বশীল ব্যৱহাৰৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ লগতে, ৰোগ প্ৰতিৰোধ, আগতীয়াকৈ ৰোগ নিৰ্ণয় আৰু গুণগত স্বাস্থ্যসেৱাৰ সুবিধা সুনিশ্চিত কৰাৰ ক্ষেত্ৰতো জোৰ দিয়া হয়।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা অনুসৰি বৈঠকৰ সময়ত প্ৰধানমন্ত্ৰী শ্ৰীমোডী আৰু কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নীয়ে ভাৰত আৰু কানাডাৰ সম্পৰ্কৰ ইতিবাচক দিশসমূহক আদৰণি জনায় আৰু সমাগত কৌশলগত সহযোগিতা গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। দুয়োগৰাকী নেতাই লগতে তৰলীকৃত প্ৰাকৃতিক গেছ, তৰলীকৃত পেট্ৰলিয়াম গেছ আৰু কয়লাৰ সৈতে জড়িত বাণিজ্যিক ব্যৱস্থাকে ধৰি অৰ্থনৈতিক সহযোগিতাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে।

আনহাতে ব্ৰিটিছ প্ৰধানমন্ত্ৰী কিৰ ষ্টাৰমাৰৰ সৈতে হোৱা বৈঠকত প্ৰধানমন্ত্ৰীয়ে ভিজন ২০৩৫ৰ অধীনত ভাৰত-ব্ৰিটেইনৰ সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। দুয়োগৰাকী নেতাই বাণিজ্য, প্ৰতিৰক্ষা, প্ৰযুক্তি, শিক্ষা আৰু জনসাধাৰণৰ সহযোগিতাৰ শলাগ লয়। বেংগালুৰুত লিভাৰপুল বিশ্ববিদ্যালয় আৰু মুম্বাইত ইয়ৰ্ক আৰু ব্ৰিষ্টল বিশ্ববিদ্যালয়কে ধৰি ভাৰতত ব্ৰিটিছ বিশ্ববিদ্যালয়ৰ কেম্পাছ স্থাপনৰ ক্ষেত্ৰত শেহতীয়াকৈ হোৱা অগ্ৰগতিৰ কথা উল্লেখ কৰি দুয়োখন দেশৰ মাজত ৰূপায়িত শক্তিশালী শিক্ষা সহযোগিতাক লৈ দুয়োগৰাকী নেতাই সন্তুষ্টি প্ৰকাশ কৰে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই সমাগত নীট পৰীক্ষাৰ পূৰ্বে অভিভাৱক আৰু পৰীক্ষাৰ্থীসকলক অনলাইন মঞ্চত বিয়পা জালিয়াতিসমূহৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমৰ এটা প'ষ্টত সংস্থাটোৱে কয়, যে টেলিগ্ৰামৰ জৰিয়তে বহু দুষ্ট চক্ৰই পুনৰবাৰ হ'বলগীয়া নীট পৰীক্ষাৰ পূৰ্বে প্ৰশ্নকাকত যোগান ধৰাৰ বাবে পৰীক্ষাৰ্থীসকলৰ পৰা ১৪ হাজাৰৰ পৰা ২৫ হাজাৰ টকা পৰ্যন্ত দাবী কৰিছে। পৰীক্ষাৰ বাবে এইধৰণৰ কোনোধৰণৰ প্ৰশ্নকাকত ফাদিল হোৱা নাই বুলি সংস্থাটোৱে স্পষ্ট কৰি দিছে। সাংবাদিকৰ

সৈতে হোৱা কথা বতৰাত সংস্থাৰ সঞ্চালক প্ৰধান অভিষেক সিঙে কয়, যে এইবেলি প্ৰতিখন প্ৰশ্নকাকত সম্পূৰ্ণ সাৱধানতা অৱলম্বন কৰি যুগুতাই উলিওৱা হৈছে আৰু কোনো ধৰণৰ বেমেজালিৰ সৃষ্টি নোহোৱাকৈ পৰীক্ষা পৰিচালনা কৰাৰ বাবে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা প্ৰতিশ্ৰুতিবদ্ধ। প্ৰশ্নকাকত প্ৰস্তুত কৰাৰে পৰা সেইসমূহৰ অনুবাদ, ছপা, এঠাইৰ পৰা আন ঠাইলৈ নি সংৰক্ষণ কৰা আদি সকলো দিশতে সংস্থাই বিভিন্ন সুৰক্ষা পদ্ধতি অৱলম্বন কৰিছে বুলি শ্ৰীসিঙে প্ৰকাশ কৰে।

**বাইট (অভিষেক সিং)**

০০০০০

কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে নিচামুক্ত ভাৰত অভিযানৰ অধীনত নিচামুক্ত ভাৰত সপ্তাহ মুকলি কৰিব। জনসাধাৰণৰ অংশগ্ৰহণ, স্বেচ্ছাসেৱকৰ সহযোগিতা বৃদ্ধি আৰু সমগ্ৰ দেশত নিচাৰ প্ৰতি আসক্তিৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই উদ্যম গ্ৰহণ কৰা হৈছে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে নিচামুক্তিৰ মিত্ৰৰ বাবে ব্যক্তিগত ডেচবোৰ্ড আৰু নিচামুক্তি ভাৰত অভিযান সম্পৰ্কীয় এখন চুটি ছবিকে ধৰি ভালেমান গুৰুত্বপূৰ্ণ উদ্যম মুকলি কৰিব। ড০ কুমাৰে কয় যে সপ্তাহজোৰা অভিযানৰ সময়ত সমগ্ৰ দেশত সজাগতা সৃষ্টি আৰু সমূহীয়া অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। ইয়াৰ ভিতৰত সমূহীয়া সংকল্প গ্ৰহণ, সজাগতামূলক শোভাযাত্ৰা, চাইকেল ৰেলী, যুৱক-যুৱতীৰ নেতৃত্বৰ অভিযান, পোষ্টাৰ অংকন, শ্ল'গান আৰু ৰচনা প্ৰতিযোগিতা, ৱেবিনাৰ, বিশেষজ্ঞৰ সৈতে মত-বিনিময়, বাটৰ নাট আদি অন্যতম।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত কালি যমুনা নদী পুনৰ সজীৱ কৰাৰ লক্ষ্যৰে দীৰ্ঘদিনীয়া কিছাউ বহুমুখী বান্ধ প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত ছখন ৰাজ্যৰ মাজত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। গৃহ মন্ত্ৰালয়ে জনোৱা অনুসৰি নতুন দিল্লীত অনুষ্ঠিত বৈঠকখনত হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, দিল্লী, উত্তৰ প্ৰদেশ, হাৰিয়ানা আৰু ৰাজস্থানে এই প্ৰকল্পৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিবলৈ সন্মত হয়। চুক্তি স্বাক্ষৰিত হোৱাৰ পাছত প্ৰকল্পটো কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অনুমোদনৰ বাবে উত্থাপন কৰা হ'ব।

মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি কেন্দ্ৰীয় চৰকাৰে চুক্তিবদ্ধ পুঁজি আৰ্হিৰ অধীনত প্ৰকল্পটোৰ পানীৰ উপাদানৰ ব্যয়ৰ ৯০ শতাংশ বহন কৰিব আৰু বাকী ১০ শতাংশ ব্যয় ছখন ৰাজ্যই বহন কৰিব। আনহাতে, শক্তি উপাদানৰ খৰচ ভাগ-বতৰা কৰাৰ পৰিৱৰ্তে হিমাচল প্ৰদেশলৈ আবণ্টিত পানী দিল্লী আৰু ৰাজস্থানলৈ যোগান ধৰাৰ ব্যৱস্থা কৰা হ'ব।

যমুনা নদীত বিশুদ্ধ পানীৰ প্ৰবাহ বৃদ্ধি কৰি পৰিষ্কাৰ যমুনা গঢ়ি তোলাৰ দিশত এই সিদ্ধান্ত উল্লেখযোগ্য পদক্ষেপ হিচাপে পৰিগণিত হ'ব বুলি গৃহ মন্ত্ৰালয়ে আশা প্ৰকাশ কৰে।

০০০০০

ভাৰত আজি আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত গ্ৰুপ-এৰ নিজৰ দ্বিতীয়খন খেলত নেডাৰলেণ্ডছৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি লিডছৰ হেডিংলেত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে যোৱা দেওবাৰে প্ৰতিযোগিতাত নিজৰ প্ৰথমখন খেলত পাকিস্তানৰ বিৰুদ্ধে ৬৪ ৰানত জয়লাভ কৰিছিল। খেলখনত দিপ্তী শৰ্মাই ৫টা আৰু শ্ৰীচৰণীয়ে

তিনিটা উইকেট দখল কৰি ভাৰতৰ বিজয়ৰ পথ মসৃণ কৰি তুলিছিল। খেলখনত ভাৰতৰ হৈ স্মৃতি মান্ধানাই ৬৮, হৰমনপ্ৰীত কৌৰে ৩৬ আৰু ৰীচা ঘোষে ৩৪ ৰানৰ বৰঙণি আগবঢ়াইছিল।

০০০০০

ভাৰতে আজি আফগানিস্তানৰ বিৰুদ্ধে চলি থকা তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত অৱতীৰ্ণ হ'ব। খেলখন লক্ষ্ণৌৰ শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত দিনৰ ডেৰ বজাত বজাত আৰম্ভ হ'ব। শুভমন গিল নেতৃত্বাধীন ভাৰতীয় দলটো ইতিমধ্যে শৃংখলাত ১-০ ফলাফলেৰে আগবাঢ়ি আছে আৰু আজিৰ খেলখনত জয়লাভেৰে দলটোৱে শৃংখলা হস্তগত কৰাৰ আপ্ৰাণ প্ৰয়াস কৰিব।

শৃংখলাৰ প্ৰথমখন খেল ধৰমশালাত যোৱা ১৩ জুনত খেলোৱা হৈছিল। বৰ্ষাবিঘ্নিত খেলখনত ভাৰতে আফগানিস্তানক ৭ উইকেটত পৰাস্ত কৰিছিল। খেলখনত অধিনায়ক গিল আৰু কে এল ৰাহুলে ক্ৰমে ৮৪ আৰু ৩৯ ৰান কৰি আউট নোহোৱাকৈ থকাৰ বিপৰীতে ঈষাণ কিষাণে ৩৪ ৰানৰ বৰঙণি আগবঢ়াইছিল। ইপিনে ঘৰুৱা দলটোৰ হৈ গুৰনুৰ ব্ৰাৰ আৰু হৰ্ষ ডুবেই তিনিটাকৈ আৰু অশ্বদীপ সিং আৰু নীতিশ কুমাৰ ৰেড্ডীয়ে দুটাকৈ উইকেট দখল কৰিছিল।

০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত যোৱা নিশা নিউ জাৰ্ছি ষ্টেডিয়ামত অনুষ্ঠিত আই গ্ৰুপৰ এখন খেলত ফ্ৰান্সে ছেনেগালক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনত ফ্ৰান্সৰ এমবাপ্পেই দ্বিতীয়টো গ'ল দিয়াৰ লগে লগে খেলুৱৈগৰাকী দেশখনৰ হৈ আন্তঃৰাষ্ট্ৰীয় খেলত সৰ্বাধিক গ'ল দিয়া খেলুৱৈৰূপে পৰিগণিত হয়। খেলুৱৈগৰাকীয়ে এইপৰ্যন্ত আন্তঃৰাষ্ট্ৰীয় খেলত ফ্ৰান্সৰ হৈ ৫৮টা গ'ল দিছে। এই কৃতিত্ব অৰ্জনৰ বাটত তেওঁ বিশ্বকাপত সৰ্বাধিক গ'ল দিয়া খেলুৱৈৰ তালিকাত আৰ্জেণ্টিনাৰ লিঅ'নেল মেছিক অতিক্ৰম কৰে। ইয়াৰ পূৰ্বে কালি লছ এঞ্জেলেছৰ ছফি ষ্টেডিয়ামত নিউজিলেণ্ড আৰু ইৰানৰ মাজত অনুষ্ঠিত খেলখন ২-২ ফলাফলত অমীমাংসিত হৈ ৰয়। একেদৰে মিয়ামিত উৰুগুৱে আৰু চৌদি আৰৱৰ মাজত আৰু ছীটল ষ্টেডিয়ামত বেলজিয়াম আৰু ইজিপ্তৰ মাজত অনুষ্ঠিত দুয়োখন খেলেই ১-১ ফলাফলত অমীমাংসিত হৈ ৰয়।

প্ৰতিযোগিতাত কিছুসময়ৰ পূৰ্বে সমাপ্ত হোৱা গ্ৰুপ-আইৰ আন এখন খেলত ন'ৰৱেই ইৰাকৰ বিৰুদ্ধে ৪-১ গ'লৰ ব্যৱধানত বিজয় অৰ্জন কৰাৰ বাতৰি আহিছে। সম্প্ৰতি গ্ৰুপ-জেৰ এখন খেলত আৰ্জেণ্টিনা আলজেৰিয়াৰ মুখামুখি হৈছে।

০০০০০

সমাপ্ত